# Meeting between Prime Minister and H.E. Dr. Angela Merkel, Chancellor of the Federal Republic of Germany on the sidelines of the G20 Leaders Summit

October 31, 2021

# প্ৰধান মন্ত্ৰী আৰু জাৰ্মানি গণৰাজ্যৰ চেন্সেলৰ মাননীয় ডঃ এঞ্জেলা মাৰ্কেলৰ মাজত বৈঠক জি20 নেতা সন্মিলনৰ প্ৰেক্ষাপটত

অক্টোবৰ 31, 2021

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে জাৰ্মানি গণৰাজ্যৰ চেন্সলৰ ডঃ এঞ্জেলা মাৰ্কেলক ৰোম, ইটালিত জি20 সন্মিলনৰ প্ৰেক্ষাপটত 31 অক্টোবৰ 2021 তাৰিখে লগ কৰে।

তেওঁলোকৰ দীৰ্ঘদিনীয়া সহযোগিতা আৰু ব্যক্তিগত বন্ধুত্ব স্মৰণ কৰি, প্ৰধান মন্ত্ৰীয়ে চেন্সেলৰ মাৰ্কেলক অভিনন্দন জ্ঞাপন কৰে কেৱল জাৰ্মানিতেই নহয় ইউৰোপীয় আৰু বিশ্বযোৰা স্তৰত তেওঁৰ নেতৃত্বৰ বাবে। তেওঁ ডঃ মাৰ্কেলৰ উত্তৰাধিকাৰীৰ সৈতে ঘনিষ্ঠ কৌশলগত অংশীদাৰিত্ব ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

দুয়োজন নেতাই ভাৰত আৰু জাৰ্মানিৰ মাজৰ ঘনিষ্ঠ দ্বিপক্ষীয় সহযোগিতাত সন্তুষ্টি প্ৰকাশ কৰে আৰু নিজৰ বাণিজ্য আৰু বিনিয়োগ সম্পৰ্ক গভীৰ কৰিবলৈ প্ৰতিশ্ৰুতি লয়। তেওঁলোকে লগতে সেউজ হাইড্ৰ'জেনকে ধৰি নতুন ক্ষেত্ৰসমূহত ভাৰত-জাৰ্মানি কৌশলগত অংশীদাৰিত্বৰ পৰিসৰ বিস্তাৰ কৰিবলৈ সন্মত হয়।

প্ৰধান মন্ত্ৰীয়ে ডঃ মাৰ্কেলক নিজৰ শুভেচ্ছা জ্ঞাপন কৰে আৰু তেওঁক ভাৰত ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ কৰে।

**ৰোম,**
**অক্টোবৰ 31, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.